# অসম বিধান সভা
# ২০২৬ চনৰ ১৫ জুলাইত উত্তৰ দিবলগীয়া
# লিখিত প্ৰশ্ন নং – ৩৬০

**বিষয়ঃ গৰাখহনীয়া আৰু মথাউৰি সম্পৰ্কে**

**শ্ৰীআবুল কালাম ৰশিদ আলম, বিধায়ক**

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

**-প্ৰশ্ন-**

ক) গোৱালপাৰা পূব বিধান সভা সমষ্টিৰ নৱাগত শিমলীতোলাৰ পৰা পঞ্চৰত্ন পাহাৰলৈ প্ৰত্যেক বছৰে ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়াৰ ফলত হাজাৰ হাজাৰ বিঘা মাটি আৰু ঘৰ বাৰী উটুৱাই লৈ যায়, ইয়াৰ কোনো প্ৰতিৰোধৰ ব্যৱস্থা চৰকাৰে কৰিবনে? যদি কৰে, কিমান দিনৰ ভিতৰত কৰিব? তথ্য সহকাৰে জনাব।

(খ) গোৱালপাৰা জিলাৰ বলবলা অঞ্চলত থকা জিনাৰী নদী আৰু কৃষ্ণাই নদীৰ দুয়োকাষেৰে স্থায়ী বান্ধ নিৰ্মাণ কৰি Flash Flood সমস্যাৰ পৰা ৰক্ষা পাৱলৈ চৰকাৰে কিবা আঁচনি হাতত লৈছেনে? যদি লৈছে, কিমান দিনৰ ভিতৰত সম্পূৰ্ণ কৰিব আৰু যদি লোৱা নাই কিয়? তথ্যসহ জনাব।

(গ) কৃষ্ণাই নদীৰ ময়নামতি মথাউৰী আৰু জিনাৰী নদীৰ খাগ্ৰাবাৰী মথাউৰীৰ কেইবা ঠাইত ভাঙি-ছিঙি গৈছে, অতি সোনকালে বান্ধাৰ ব্যৱস্থা নকৰিলে বহুত গাঁও ক্ষতিগ্ৰস্ত হ'ব। গতিকে বাৰিষাৰ আগত এই মথাউৰী দুটা বন্ধাৰ ব্যৱস্থা কৰিব নেকি? যদি কৰে, কিমান দিনৰ ভিতৰত কৰিব? তথ্য সহকাৰে জনাব।

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী শ্ৰীযুত সুশান্ত বৰগোহাঁই দেৱে উত্তৰ দিবঃ**

**– উত্তৰ–**

ক) জলসম্পদ বিভাগৰ অধীনত গৰাখহনীয়া প্ৰতিৰোধৰ বাবে গোৱালপাৰাৰ শিমলীতোলাৰ পৰা পঞ্চৰত্ন পাহাৰলৈকে Asian Development Bank ৰ শিতানত "Climate Resilient Brahmaputra Integrated Flood and Riverbank Erosion Risk Management Project in Assam-Goalpara Sub Project Zone-D" (CRBIFRERMP) ৰ অধীনত Phase-1 ত মুঠ ৫.৭ কিঃমিঃ দৈৰ্ঘ্যৰ কাম কৰি থকা হৈছে আৰু Phase-II ত মুঠ ৪.৫ কিঃমিঃ দৈৰ্ঘ্যৰ কাম সমূহৰ বাবে ইতিমধ্যে অনুমোদন হৈছে আৰু বাৰিষাকাল শেষ হোৱাৰ লগে লগেই Phase-II ৰ অন্তৰ্গত কাম সমূহ আৰম্ভ কৰা হব ।ইয়াৰ লগতে বলদমাৰীচৰ (Part-3) ত ১ কিঃমিঃ দৈৰ্ঘ্যৰ গৰাখহনীয়া প্ৰতিৰোধৰ কাম NABARD RIDF-XXIX ৰ শিতানত "Anti-Erosion Measures to protect Baladmari Part-III near Goalpara Town from the erosion of river Brahmaputra" নামৰ ১২.০০ কোটি টকাৰ আঁচনিখনৰ কাম সম্পূৰ্ণ হৈ উঠিছে । ইয়াৰ উপৰিও শিংৰামাৰী আৰু ইয়াৰ দাঁতি কাষৰীয়া অঞ্চল সমূহৰ গৰাখহনীয়া ৰোধ কৰিবলৈ "Pro-Siltation measures to protect Singramari and its adjoining area from the erosion

of river jaljali on its L/B under SDMF for the year 2026-27" (Estimated Amount Rs. 225.86 Lakh) নামৰ আচঁনি এখন প্ৰস্তুত কৰা হৈছে আৰু পুঁজিৰ উপলব্ধতা সাপেক্ষে আচঁনিখন ৰূপায়ন কৰিব পৰা হ'ব। পৰৱৰ্তী সময়ত বাকী থকা অঞ্চল সমুহৰ জৰীপ কৰি প্ৰাককলন প্ৰস্তুত কৰা হ'ব আৰু পুঁজিৰ উপলব্ধতা সাপেক্ষে আচঁনিখন ৰূপায়ন কৰিব পৰা হ'ব।

খ) গোৱালপাৰা জিলাৰ বলবলা অঞ্চলত থকা জিনাৰী নদী আৰু কৃষ্ণাই নদীৰ দুয়োপাৰে ইতিমধ্যে কিছু অংশত মথাউৰি আছে আৰু পৰৱৰ্তী সময়ত বাকী অংশ খিনিত নতুন মথাউৰি নিৰ্মাণৰ বাবে জৰীপ কৰি প্ৰাককলন প্ৰস্তুত কৰা হ'ব আৰু পুঁজিৰ উপলব্ধতা সাপেক্ষে আচঁনিখন ৰূপায়ন কৰিব পৰা হ'ব।

গ) কৃষ্ণাই নদীৰ ময়নামতি অঞ্চলত পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়ন বিভাগে নিৰ্মাণ কৰা মথাউৰিটোৰ ভাঙি যোৱা অংশ সমূহ মেৰামতি কৰাৰ বাবে জলসম্পদ বিভাগে ইতিমধ্যে বিভিন্ন জৰীপ কাৰ্য্য সম্পুৰ্ণ কৰি প্ৰাককলন প্ৰস্তুত কৰি আছে আৰু পুঁজিৰ উপলব্ধতা সাপেক্ষে আচঁনিখন ৰূপায়ন কৰিব পৰা হ'ব ।

আকৌ জিনাৰী নদীৰ বাওঁফালে জলসম্পদ বিভাগে নিৰ্মাণ কৰা ৩ কিঃমিঃ দৈৰ্ঘ্যৰ মথাউৰিটো বৰ্তমান সবল অৱস্থাত আছে যদিও মথাউৰিৰ বাহিৰে নদীৰ পাৰত থকা পথটোৰ কিছু কিছু ঠাই গৰাখহনীয়াৰ কবলত পৰিছে আৰু উক্ত অঞ্চল সমূহ মেৰামতি কৰাৰ বাবে SDMF শিতানত "Flood mitigation measures along L/B of river of Jinari at Khagrabari area under SDMF for the year 2026-27" (Estimated Amount Rs.224.25 lakh) টকাৰ আচঁনি এখনৰ প্ৰাককলন প্ৰস্তুত কৰা হৈছে আৰু পুঁজিৰ উপলব্ধতা সাপেক্ষে আচঁনিখন ৰূপায়ন কৰিব পৰা হ'ব।

( উক্ত প্ৰশ্নৰ উত্তৰৰ সৈতে কোনো পৰিশিষ্ট অনলাইন যোগে দাখিল কৰিবলগা নাই। উত্তৰসমূহ অনলাইন যোগে **NeVA** পৰ্টেলত দাখিল কৰা হৈছে )

***************